CAREERINDIA

SET – 4

Series : SGN/C

Code No. **14**

Roll No. | | | | | | | |

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **4** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **13** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময় : 3 ঘন্টা* — *সৰ্বমুঠ নম্বৰ : 100*

*Time allowed : 3 Hours* — *Maximum Marks : 100*

www.careerindia.com

## SECTION – A

1. (ক) (i) প্ৰশ্নবোধক অব্যয় কাক বোলে ? এটা উদাহৰণ দিয়া । **1 + 1 = 2**

(ii) ওহোঁ, ‘এৰা’ – কি অব্যয় ? **1**

(iii) দ্বিকৰ্মক ক্ৰিয়াৰ উদাহৰণ এটা দিয়া । **1**

(iv) তলৰ অকৰ্মক ক্ৰিয়া দুটাক বাক্যৰ সহায়ত সকৰ্মক কৰা : **1 + 1 = 2**

হাঁহ, শো ।

(v) সম্বোধনবোধক অব্যয় আৰু আনুষঙ্গিক অব্যয় উদাহৰণ দি দেখুওৱা । **1 + 1 = 2**

(খ) (i) আচল শব্দত জোৰ বুজাবলৈ গঠন কৰা শব্দক কি শব্দ বোলা হয় । এটা উদাহৰণ দি বুজোৱা । **1 + 1 = 2**

(ii) অনুকাৰ অনুৰূপ শব্দৰ এটা উদাহৰণ দিয়া । **1**

(iii) মূল শব্দৰ পিছত প্ৰায় একে নিচিনা অথচ অৰ্থশূন্য যিবোৰ শব্দ যোগ কৰা হয় সেইবোৰক কি শব্দ বোলে ? **1**

CAREERINDIA

(গ) তলৰ শব্দ বোৰত ‘ষ’ হোৱাৰ কাৰণ দৰ্শোৱা ।  $1 \times 3 = 3$

অংগুষ্ঠ  শ্ৰীচৰণেষু  কষ্ট ।

(ঘ) (i) তলৰ কোনটো কি সমাস লিখা ।  $1 + 1 = 2$

চন্দ্ৰশেখৰ  ভাই-ককাই

(ii) ব্যাসবাক্য ভাঙি সমাসৰ নাম লিখা ।  $1 \times 3 = 3$

হতাহতি,  ত্ৰিফলা  দীঘল হাত

(iii) ব্যস্ত পদবোৰে বিশেষ্য আৰু বিশেষণৰূপে যোগ হৈ হোৱা সমাসক কি বোলে ?  1

(iv) একশেষ দ্বন্দ্বসমাস কাক বোলে, উদাহৰণসহ লিখা ।  $1 + 1 = 2$

(ঙ) (i) কৰ্তাকাৰকত কি বিভক্তি যোগ হয় বাক্য এটিৰ সহায়ত বুজাই লিখা ।  1

(ii) শব্দ বিভক্তি কেইটা ?  1

(চ) ‘শ্ৰেণী’ শব্দ ব্যৱহাৰ কৰি দুটা বাক্য গঠন কৰা ।  $1 + 1 = 2$

(ছ) এটা শব্দত প্ৰকাশ কৰা ।  $1 \times 4 = 4$

(i) কথাৰ নিশ্চয় কৰিবলৈ পঠোৱা বিশ্বাসী মানুহ ।

(ii) য’লৈ যোৱা কষ্টসাধ্য ।

(iii) যাৰ মূৰত চুলি নাই ।

(iv) যাক সহজতে ভাঙিব পাৰে ।

(জ) বাক্য ৰচনা কৰা ।  $1 \times 4 = 4$

(i) কান থিয় কৰ

(ii) মুখ মেলি থাক

(iii) হাড়ত বন গজাঁ

(iv) বুকুত কামোৰ মাৰ

## SECTION – B

2. ভাৱ বহলাই লিখা (**এটাৰ**)  5

(ক) এপাচি শাকত এটা জালুক ।

(খ) শ্ৰম সিদ্ধিৰ আমোঘ মন্ত্ৰ ।

3. যি কোনো **এটা** বিষয় লৈ এখন ৰচনা লিখা ।  10

(ক) নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য

(খ) অসমৰ বানপানীৰ সমস্যা

(গ) মানৱ সভ্যতাৰ বিকাশত বিজ্ঞানৰ অৱদান ।

www.careerindia.com

CAREERINDIA

## SECTION – C

4. তলৰ যি কোনো এছোৱাৰ তাৎপৰ্য্য ব্যাখ্যা কৰা । **4**

(ক) এনে পবিত্ৰ পথৰ পথিক তেওঁ আমাৰ নমস্য ।

(খ) মই কওঁ, মোৰ বহুদৰ্শনত 'পথে নাৰী বিবৰ্জিতা নহয়', সম্পূজিতাহে ।

5. "কৰ্ম আৰু সাধনা আছিল আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ ।" – পাঠৰ সহায়ত বহলাই লিখা । **6**

**নাইবা**

লক্ষ্মীনাথ বেজবৰুৱাৰ মতে বিদেশী নাটকৰ অসমীয়া অনুবাদ কেনে হোৱা উচিত বুজাই লিখা ।

6. (ক) চমু টোকা লিখা (**দুটাৰ**) **2 × 2 = 4**

যতীন্দ্ৰনাথ দুৱৰা, ওমৰতীৰ্থ, অমৰকোষ

(খ) "ইয়াৰ কাৰণে অশেষ ধন্যবাদ, ইও যে এটা দান ।" – ইয়াত কোনে, কাক, কি কাৰণত ধন্যবাদ দিছে । **2**

7. তলৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দিয়া ঃ **1 × 4 = 4**

(ক) কোনখন পুথিৰ কবে শীলভদ্ৰই অসম প্ৰকাশন পৰিষদৰ বঁটা লাভ কৰিছিল ?

(খ) যতীন্দ্ৰনাথ দুৱৰাক কি কবি বুলি কোৱা হয় ?

(গ) 'ওমৰতীৰ্থ' পুথিখন কোনখন পুথিৰ ভাবানুবাদ ?

(ঘ) শীলভদ্ৰৰ প্ৰথমখন উপন্যাস সংকলনৰ নাম কি ?

8. প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা (**এটাৰ**) **4**

(ক) সিদ্ধ মুনিগণে চিন্তিয়া নাপাৱে
সো হৰি যশোদা বোলে ।

(খ) তেঁৱে কাম তেঁৱে কৰ্মী তেঁৱে কাৰিকৰ
নিশ্চয় নিশ্চয় তেঁৱে বিশ্বখনিকৰ ।।

9. (ক) 'বিশ্বখনিকৰ' কবিতাটিৰ মাজেদি প্ৰকাশিত আধ্যাত্মিক দৰ্শনৰ চমু আভাস দিয়া । **6**

**নাইবা**

(খ) তোমাৰ পাঠৰ মাধৱদেৱৰ বৰগীতটোৰ মাজেৰে ভক্তিৰ ভাব কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা ।



www.careerindia.com

CAREERINDIA

10. তলৰ প্ৰশ্নবোৰৰ যথাযথ উত্তৰ দিয়া ঃ **1 × 4 = 4**

(i) ৰামধেনু আলোচনীখন পোনতে কোনে সম্পাদনা কৰিছিল ?

(ii) কেশৱ মহন্তই কবি হিচাবে প্ৰথমতে আত্মপ্ৰকাশ কৰা আলোচনীখনৰ নাম কি ?

(iii) জ্যোতিপ্ৰসাদ আগৰৱালাক মূলত কি কবি বুলি কোৱা হয় ?

(iv) ‘প্ৰবুদ্ধ’ শব্দৰ অৰ্থ কি ?

11. তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা : **2 × 3 = 6**

(ক) “হে মোৰ আলোকপূজাৰী প্ৰাণ” – কথাষাৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰা ।

(খ) কেশৱ মহন্তই ৰচনা কৰা যি কোনো দুখন পুথিৰ নাম লিখা ।

(গ) অসমীয়া কবিতাৰ আধুনিক যুগ সৃষ্টিত অৰিহনা যোগোৱা দুখন আলোচনীৰ বিষয়ে লিখা ।

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাৰ বৈশিষ্ট্য সমূহ কি কি ?

12. তলৰ যে কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা । **2 × 3 = 6**

(ক) সহজ অৰ্থত মূল্যবোধ মানে কি ?

(খ) মূল্যবোধ ত্ৰিমীতি বুলি কাক কোৱা হৈছে ?

(গ) নৈতিক মূল্যবোধে কি বুজায় ?

(ঘ) ভাৰতীয় দৰ্শনে ভাগ কৰা মূল্যবোধ চাৰিটা কি কি ?

13. অতি চমুকৈ যথাযথ উত্তৰ লিখা । **1 × 4 = 4**

(ক) মানুহৰ জীৱনৰ উ□□□□শ্য লাভৰ উপায় কি ?

(খ) কি অবিহনে মানুহ আৰু অন্য জীৱ-জন্তুৰ মাজত প্ৰভেদ নাথাকিব ?

(গ) প্ৰথম অৱস্থাত ‘মূল্য’ শব্দটো কি উ□□□□শ্যে ব্যৱহাৰ কৰা হৈছিল ?

(ঘ) সকলো বস্তুৰে এক ঐশ্বৰিক সৌন্দৰ্য্য আছে । এইটো কাৰ মত ?

www.careerindia.com